অধ্যায় ১১ : ত্রিপুৰা দৰবাৰত অসমীয়া কটকী

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ত্রিপুৰা বুৰঞ্জী

১১.৩.১ সম্পাদকৰ পৰিচিতি

১১.৩.২ লেখকদ্বয়ৰ পৰিচিতি

১১.৪ ত্রিপুৰাৰ দৰবাৰত অসমীয়া কটকী

১১.৪.১ মূল পাঠ

১১.৪.২ শব্দ অর্থ

১১.৪.৩ পাঠটোৰ সাধাৰণ আলোচনা

১১.৪.৪ গদ্যশৈলী

১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ

১১.৭ অগ্রগতিৰ খতিয়ান

১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ত্রিপুৰা বুৰঞ্জীখনৰ বিষয়ে জানিব পাৰিব।
- এই বুৰঞ্জীখনৰ লেখকদ্বয় কটকী ৰত্ন কন্দলি শর্মা আৰু অজুর্ন দাস বৈৰাগীৰ বিষয়ে কিছু কথা জানিব পাৰিব।
- ত্রিপুৰা ৰাজ দৰবাৰৰ ৰীতি-নীতিৰ বিষয়ে জানিব পাৰিব, লগতে ত্রিপুৰা আৰু আহোম ৰজাৰ কূটনৈতিক-ৰাজনৈতিক সম্পর্কৰ বিষয়ে অৱগত হ'ব।

১১.২ পৰিচয়

পূর্বৰ অধ্যায়ত আমি *তুংখুঙীয়া বুৰঞ্জীৰ* অন্তর্গত *স্বর্গদেউ ৰুদ্রসিংহ* পাঠৰ জৰিয়তে আহোম সাম্রাজ্যৰ এজন শক্তিশালী আৰু দূৰদর্শী শাসকৰ জীৱন আৰু কর্মৰ বিষয়ে অধ্যয়ন কৰিছিলোঁ। সেই অধ্যায়ত ৰুদ্রসিংহৰ প্রশাসনিক দক্ষতা, সামৰিক কৃতিত্ব, কূটনৈতিক বিচক্ষণতা আৰু জনকল্যাণমূলক কার্যকলাপৰ বিষয়ে জানিবলৈ সক্ষম হৈছিলোঁ। লগতে আহোম যুগৰ সমাজ, সংস্কৃতি, ধর্ম, ৰাজনীতি আৰু জনজীৱনৰ বিভিন্ন দিশৰ লগতে বুৰঞ্জী সাহিত্যৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিছিলোঁ।

এই অধ্যায়ত আমি *ত্রিপুৰা বুৰঞ্জী*ৰ বিষয়ে অধ্যয়ন কৰিম। ইয়াৰ জৰিয়তে এই বুৰঞ্জীখনৰ বিষয়বস্তু, ঐতিহাসিক গুৰুত্ব আৰু সাহিত্যিক মূল্যৰ বিষয়ে জানিব পাৰিম। লগতে এই বুৰঞ্জীখনৰ ৰচয়িতা কটকী ৰত্ন কন্দলি শর্মা আৰু অজুর্ন দাস বৈৰাগীৰ বিষয়ে কিছু জ্ঞান লাভ কৰিব পাৰিম। এই অধ্যয়নৰ জৰিয়তে ত্রিপুৰা ৰাজ দৰবাৰৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু ৰাজকীয় পৰম্পৰাৰ বিষয়ে ধাৰণা লাভ কৰাৰ লগতে আহোম আৰু ত্রিপুৰা ৰাজ্যৰ মাজত গঢ় লৈ উঠা কূটনৈতিক আৰু ৰাজনৈতিক সম্পর্কৰ বিষয়েও সম্যকভাৱে অৱগত হ'ব পাৰিম।

অসমীয়া সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰোঁতে আপুনি ইতিমধ্যে বুৰঞ্জী সাহিত্য সম্পর্কে কিছু কথা অধ্যয়ন কৰি আহিছে। তাৰ পৰাই নিশ্চয় অনুধাৱন কৰিব পাৰিছে যে, অসমীয়া সাহিত্যত বুৰঞ্জী সাহিত্যৰ স্থান অতিকে গুৰুত্বপূর্ণ। ই আহোমসকলৰ অৱদান। বুৰঞ্জী শব্দই আহোমৰ দিনত ৰজাঘৰৰ ৰাজকীয় কার্যকলাপৰ বিৱৰণ সন্নিৱিষ্ট কৰা দলিলসমূহকহে সামৰি লৈছিল যদিও পিছলৈ ই অৱশ্যে প্রাচীন নথি-পত্র আদিকো সামৰি লৈছিল। এই বুৰঞ্জী শব্দটোৰ অর্থ সম্পর্কে বিভিন্নজন পণ্ডিত, গৱেষকে বিভিন্ন ব্যাখ্যা আগবঢ়াইছে। বুৰঞ্জীবিদ সূর্য্য কুমাৰ ভূঞাই বুৰঞ্জী মানে 'মুর্খৰ শিক্ষাৰ ভঁৰাল' বুলি কৈছে। টাইসকলে এই বুৰঞ্জীক বুজাবলৈ 'বু-লান্-চি' আৰু 'বু-লান্-জী' শব্দ দুটাৰ প্রয়োগ কৰা দেখা যায়। 'বু-লান্-চি' মানে পুৰণি কালৰ কথা থকা নথি-পত্র আৰু 'বু-লান্-জী' মানে একো নজনা নাতি-পুতিলৈ থৈ যোৱা কাকত-পত্রৰ ভঁৰাল বুলি বুৰঞ্জীবিদ, সাহিত্যিক লীলা গগৈয়ে উল্লেখ কৰিছে। সেয়া যি কি নহওক বর্তমান সময়ত আমি বুৰঞ্জী বুলিলে আহোম ৰজাসকলৰ অধীনত এক শ্রেণী লোকে ৰজাসকলৰ বিভিন্ন কথা-ঘটনা লিপিবদ্ধ কৰা এক দলিল স্বৰূপ বুলি বুজোঁ। বুৰঞ্জীসমূহ অসমীয়া আৰু আহোম দুয়োটা ভাষাতে লিখিছিল। অসমীয়া ভাষাত লিখা উল্লেখযোগ্য বুৰঞ্জীসমূহৰ কেইখনমান হৈছে— পুৰণি অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী, ত্রিপুৰা বুৰঞ্জী, কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী আদি।

১১.৩ ত্রিপুৰা বুৰঞ্জী

এই বুৰঞ্জী পুথিখন সূর্য্য কুমাৰ ভূঞাই লণ্ডণৰ ব্রিটিছ মিউজিয়ামৰ পৰা ফটোকপি কৰি আনি প্রকাশ কৰিছিল। ত্রিপুৰা বুৰঞ্জী সংগ্রহত তেওঁক সহায় কৰিছিল প্রাচ্যৰ গ্রন্থ সংৰক্ষণৰ তত্ত্বাৱধানত থকা ডঃ লিয়নেল ডি বার্ণেটে [DR. Lionel D. Barnett]। ব্রিটিছ মিউজিয়ামৰ কর্তৃপক্ষই ১৮৪২ চনৰ ৪ জানুৱাৰীত ১৪৬ পৃষ্ঠাযুক্ত সাঁচিপাতৰ অসমীয়াতে লেখা এই কপিটো প্রদান কৰিছিল। দুয়োপিঠিত ৫ শাৰী আখৰেৰে লিপিবদ্ধ এই পুথিৰ ১০৮ নং পৃষ্ঠাটো হেৰাইছে যদিও পাঠৰ বর্ণনীয় বিষয়ৰ আধাৰত পাঠ নিৰূপণ কৰাত অসুবিধা হোৱা নাই। পুথিৰ আখৰবোৰত স্পষ্ট, সুন্দৰ হস্তলিপিৰ নিদর্শন পোৱা গৈছে। পুথিৰ শীর্ষক হিচাপে মূল পুথিৰ শীর্ষপৃষ্ঠাত 'ত্রিপুৰা দেশৰ কথাৰ লেখা' বুলি উল্লেখ কৰা হৈছে।

ত্রিপুৰা বুৰঞ্জীত মহাৰাজ ৰুদ্রসিংহৰ সৈতে ত্রিপুৰাৰ ৰজা ৰত্নমাণিক্যৰ বন্ধুত্বপূর্ণ সম্পর্কৰ কথা বিবৃত হৈছে। 'ত্রিপুৰা দেশৰ কথাৰ লেখা' শীর্ষক এই গ্রন্থত শ্রীৰুদ্রসিংহ মহাৰাজে ৰত্নমাণিক্যৰ সৈতে প্রীতিৰ সম্পর্ক স্থাপনৰ উদ্দেশ্যে কটকী প্রেৰণ কৰাৰ বর্ণনা আছে। তাৰ লগে লগে ত্রিপুৰা দেশৰ ইতিহাস, ভৌগোলিক অৱস্থিতি, প্রাকৃতিক সম্পদ, ত্রিপুৰাৰ ৰীতি-নীতি আৰু ত্রিপুৰা বিদ্রোহ

প্রসঙ্গৰো অৱতাৰণা কৰা হৈছে। বুৰঞ্জীখন ৰচনা কৰা হৈছিল ১৭২৪ খ্রীষ্টাব্দত। ১৭০৯১ পৰা ১৭১৫১ ভিতৰত বিভিন্ন কাৰণ ত্রিপুৰা ভ্রমণ কৰা ৰত্ন কন্দলি শর্মা কটকী আৰু অজুর্ন দাস বৈৰাগী কটকীয়ে এই বুৰঞ্জীখন প্রণয়ন কৰিছিল। বুৰঞ্জীখনত উল্লেখ কৰা মতে অসমৰ পৰা ত্রিপুৰালৈ তিনিবাৰ কটকী পঠিয়াইছিল। ইয়াত, তৃতীয়বাৰ ত্রিপুৰালৈ গৈ অসমীয়া কটকী কেইজনে উভতি গড়গাঁও পোৱালৈকে বর্ণনা কৰি বুৰঞ্জীখনৰ সামৰণি মাৰিছে। বুৰঞ্জীখনত ভাৰতৰ মোগল সাম্রাজ্যৰ প্রসাৰৰ বিৰুদ্ধে হিন্দু ৰজাসকলক একত্রিত কৰাৰ লগে লগে বন্ধুত্বপূর্ণ সম্পর্ক গঢ়ি তুলিবৰ কাৰণে মহাৰাজ ৰুদ্রসিংহই কৰা প্রয়াসৰ কথা বর্ণিত হৈছে। সেইবাবেই তেওঁ যে সৈন্য-সামন্ত বৃদ্ধি, সৈন্য-সামন্তৰ প্রশিক্ষণ ব্যৱস্থা, বিভিন্ন বিষয়ৱবীয়া নিয়োগ কৰি বিভিন্ন দেশলৈ কটকী প্রেৰণ কৰা তথা তেওঁলোকৰ সৈতে সু-সম্পর্ক স্থাপন কৰাৰ ব্যৱস্থা কৰিছিল সেইবোৰ তথ্যও এই বুৰঞ্জীখনত লিপিবদ্ধ হৈছে।

১৬৯৬ চনত ৰাজপাট আৰোহণ কৰি মহাৰাজ ৰুদ্রসিংহই প্রশাসনীয় দিশত যথেষ্ট গুৰুত্ব প্রদান কৰিছিল। দাঁতিকাষৰীয়া ৰাজ্যৰ সৈতে সুসম্পর্ক গঢ়ি-তুলিবৰ কাৰণে তেওঁ কটকী প্রেৰণ কৰিছিল। কছাৰী আৰু জয়ন্তীয়া ৰজাৰ সৈতে সু-সম্পর্ক স্থাপন কৰাৰ লগতে বঙ্গ বিজয়ৰ কাৰণে তেওঁ চিন্তা কৰিছিল আৰু হিন্দু ৰজাসকলক একত্রিত কৰিছিল। বঙ্গজয়ৰ উদ্দেশ্যে ৰুদ্রসিংহই সৈন্য-বাহিনীক প্রশিক্ষণ দিছিল। পদাতিক আৰু অশ্বাৰোহী সৈন্যসকলক যুদ্ধৰ কাৰণে প্রস্তুত কৰি তুলিছিল। তেওঁ বঙ্গৰ ব্রাহ্মণ, পণ্ডিত, শিল্পী, সঙ্গীতজ্ঞ আদিক অসমলৈ আমন্ত্রণ কৰি আনি সন্মানিত কৰিছিল। বঙ্গৰ সঙ্গীতজ্ঞ আনন্দিৰাম মেধিৰ সৈতে ত্রিপুৰা ৰজা ৰত্নমাণিক্যৰ সু-সম্পর্ক আছিল আৰু তেওঁৰ মধ্যস্থতাতেই ৰত্ন কন্দলি শর্মা আৰু অজুর্ন দাসে ৰজাৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক স্থাপন কৰিবলৈ সক্ষম হৈছিল। ত্রিপুৰা ৰজায়ো ৰামেশ্বৰ ভট্টাচার্য্য ন্যায়-অলংকাৰ আৰু উদয়ন বিশ্বাসক অসমলৈ পঠাইছিল আৰু অসমৰ দুই কটকীৰ সৈতে আহি অসমত উপস্থিত হৈছিল।

বুৰঞ্জীখনত ত্রিপুৰাৰ ইতিহাসৰ কিছুমান ঘটনাৰ লগে লগে অসমৰ কটকীদ্বয়ৰ ত্রিপুৰা ভ্রমণৰ বিশেষ কিছুমান কথা লিপিবদ্ধ আছে। বুৰঞ্জীখনত নৈ, বিল, পাহাৰ, পর্বতৰ কথা অৱতাৰণা কৰিছে। সেমেকা বতৰ, বানপানী আদিৰ কথাও ইয়াত উল্লেখ কৰিছে। তদুপৰি ইয়াত পূজা-পার্বণ, মঠ-মন্দিৰৰ কথাৰ লগতে দেশখনৰ দৌল-দেৱালয়, স্থাপত্য-ভাস্কর্যৰ বিষয়েও সন্ভেদ পোৱা যায়। ৰংপুৰৰ দুর্গা পূজা আৰু ত্রিপুৰাৰ মদন পূজাৰ বিষয়েও বুৰঞ্জীখনত বহলাই আলোচনা কৰা হৈছে। বাবু কৈলাশ চন্দ্র সিংহৰ ত্রিপুৰাৰ ৰাজমালাত এই বুৰঞ্জীত উল্লেখ কৰা তিনিগৰাকী ৰজা ক্রমে ৰত্ন মাণিক্য, মহেন্দ্র মাণিক্য আৰু ধর্ম মাণিক্যৰ বিষয়ে খুব সংক্ষিপ্তভাৱে বর্ণনাহে পোৱা যায়। ত্রিপুৰা বুৰঞ্জীয়ে এই দিশত নতুন তথ্যৰ সন্ধান দিব বুলিব পাৰি। মন কৰিবলগীয়া যে ত্রিপুৰাৰ ৰজাসকলে পূর্বতে 'ফা' উপাধি লিখিছিল যদিও পিছলৈ 'মাণিক্য' উপাধি গ্রহণ কৰে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ : ত্রিপুৰা বুৰঞ্জীখন কোনে ক'ৰ পৰা সংগ্রহ কৰি প্রকাশ কৰিছিল?

.....

প্রশ্ন নং ২ : ত্রিপুৰা বুৰঞ্জীত কোনজনা আহোম স্বর্গদেওৰ সৈতে ত্রিপুৰাৰ ৰজা ৰত্নমাণিক্যৰ বন্ধুত্বপূর্ণ সম্পর্কৰ কথা বিবৃত হৈছে?

.....

১১.৩.১ সম্পাদকৰ পৰিচিতি

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে এই বুৰঞ্জীখন সম্পাদনা কৰি প্রকাশ কৰিছিল ডঃ সূর্য্য কুমাৰ ভূঞাই। তেওঁ অসমৰ এগৰাকী আগশাৰীৰ শিক্ষাবিদ, ইতিহাসবিদ আৰু গৱেষক। গুৱাহাটী বিশ্ববিদ্যালয়, বুৰঞ্জী আৰু পুৰাতত্ত্ববিদ, কটন মহাবিদ্যালয়, কামৰূপ অনুসন্ধান সমিতি, অসম ৰাজ্যিক সংগ্রহালয় প্রভৃতি বিভিন্ন বিদ্যায়তনিক অনুষ্ঠান-প্রতিষ্ঠানৰ সৈতে ভূঞা অতি ঘনিষ্ঠভাৱে জড়িত আছিল। বুৰঞ্জী আৰু পুৰাতত্ত্বৰ সঞ্চালক হিচাপে তেওঁ কার্যনিবাহ কৰা কালছোৱাত দেওধাই অসম বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী, ত্রিপুৰা বুৰঞ্জী প্রভৃতি ভালেমান বুৰঞ্জী পুথি সম্পাদনা কৰি উলিয়াইছিল। বুৰঞ্জীৰ অন্তনিহিত তথ্য আৰু সৌন্দর্য অন্বেষণ কৰি তেওঁ কেইবাটাও মূল্যবান পাতনি লিখি থৈ গৈছে। অসমৰ বুৰঞ্জী সাহিত্য সম্পর্কে ভূঞাই কৰা মন্তব্য অতি গুৰুত্বপূর্ণ ৰূপে বিবেচিত হৈ আহিছে। Studies in the Literature of Assam, সাহিত্যৰ মূল কথা আদি গ্রন্থত তেওঁৰ তথ্য-অনুসন্ধানকাৰী সমালোচনামূলক দৃষ্টিভঙ্গীৰ পৰিচয় পোৱা যায়।

১১.৩.২ লেখকদ্বয়ৰ পৰিচিতি

ৰুদ্রসিংহই ত্রিপুৰা দেশলৈ কটকী স্বৰূপে পঠোৱা ৰত্ন কন্দলি শর্মা আৰু অর্জুন দাস বৈৰাগীয়ে এই বুৰঞ্জীখন ১৭২৪ চনত প্রণয়ন কৰিছিল। এই দুইজনা অসমীয়া কটকীৰ বিষয়ে বৰ সবিশেষ পোৱা নাযায়। এই বুৰঞ্জীখনৰ পাতনিতে সম্পাদকে চমুকৈ তেওঁলোকৰ কর্মৰাজিৰহে কথা উল্লেখ কৰি থৈ গৈছে। দুয়োজনা কটকীয়ে স্বর্গদেও ৰুদ্রসিংহৰ ৰাজত্বকালত কটকী ৰূপে কার্যনির্বাহ কৰিছিল। বিভিন্ন ঠাইলৈ বার্তা, পত্র আদি প্রেৰণৰ নিমিত্তে তেওঁলোকক নিয়োগ কৰা হৈছিল। সেই অনুসৰি তেওঁলোকে দেশ-বিদেশ ভ্রমণ কৰি ফুৰাৰ সুবিধা লাভ কৰিছিল। ত্রিপুৰা বুৰঞ্জীখন তেওঁলোকে ত্রিপুৰা দেশলৈ যাওঁতে লিখিছিল। ত্রিপুৰা ৰজাৰ সৈতে আহোম স্বর্গদেওৰ মিত্রতাৰ বাবে বংগৰ সংগীতজ্ঞ আনন্দিৰাম মেধিৰে সৈতে এওঁলোক দুজনক পঠিওৱা হৈছিল। এওঁলোকৰ সৈতে অসমলৈও ত্রিপুৰা দেশৰ কটকী আহি আমাৰ ৰজাৰে সাক্ষাত কৰিছিল। এনে দৰে তিনিবাৰ বিভিন্ন আভ্যন্তৰীণ কাৰণত অসমীয়া কটকী দুজনে ত্রিপুৰালৈ যোৱাৰ সুযোগ লাভ কৰিছিল। এওঁলোক দুজনে ত্রিপুৰাত কি দেখিলে, কি শুনিলে, তাৰ আর্থ-সামাজিক, সাংস্কৃতিক, ভৌগোলিক, ৰাজনৈতিক অৱস্থিতি আদি দিশৰ উপৰি উৎসৱ-পার্বণ আদিৰ বিষয়েও নিজ ভাষাৰে এইখন পুথিত লিপিবদ্ধ কৰিছে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ : ৰত্ন কন্দলি শর্মা আৰু অজুর্ন দাস বৈৰাগীয়ে ত্রিপুৰা বুৰঞ্জীখন কিমান চনত প্রণয়ন কৰিছিল।

.....

১১.৪ ত্রিপুৰা দৰবাৰত অসমীয়া কটকী

ইতিমধ্যে আমি ত্রিপুৰা বুৰঞ্জীৰ বিষয়বস্তু সম্পর্কে চমুকৈ আলোচনা কৰিলোঁ। তাৰ লগতে এই বুৰঞ্জীখনৰ ৰচক আৰু সম্পাদকৰ বিষয়েও কিছু কথা জ্ঞাত হ'লোঁ। এতিয়া আমাৰ পাঠ্যবিষয়ৰ অন্তর্গত এই বুৰঞ্জীখনৰ একবিংশ অধ্যায় 'ত্রিপুৰা দৰবাৰত অসমীয়া কটকী'ৰ মূল পাঠখিনি উল্লেখ কৰি তাৰ বিষয়ে চমুকৈ আলোচনা দাঙি ধৰা হ'ব।

১১.৪.১ মূল পাঠ

পাছে আমাৰ কটকীক সোণাৰ দুৱাৰৰ ঘৰৰ পৰা ৩ ঠাইত নিয়মেৰে নিলে। পাছে সিংহাসনৰ ঘৰত উঠি ৰত্নকন্দলীএ আশীর্ব্বাদ কৰিলে, অজ্জুর্নে মজুৰা কৰিলে। পাছে ৰজাৰ আজ্ঞাএ দেৱানে আহি পত্র খুজিলে। পাছে ৰত্নকন্দলীএ শিৰৰ পৰা পত্র দিলে। পাছে ৰাজাৰ আজ্ঞা দেৱানে সভাপণ্ডিতৰ শাৰীত আমাৰ কটকীক বহিবলৈ বুলিলে, তাতে বহিল। পাছে দেৱানে পত্র পঢ়িলে। পাছে দেৱানে আমাৰ কটকীত সুধিলে, বোলে, – "ৰত্নকন্দলী, অজ্জুর্নদাস, আমাৰ গোসাঁই মহাৰাজে জিজ্ঞাসিছেন, বোলে, – 'আপোনাৰা আসিবাৰ কালে তোমাৰ স্বর্গীদেৱ ৰাজা কুশলে আছেন'?" পাছে আমাৰ কটকীএ কলে, বোলে, – "আমি আসিবাৰ কালে স্বর্গমহাৰাজা কুশলে আছেন।" পুনর্ব্বাৰ আমাৰ কটকীত সুধিলে, বোলে, – "ৰত্নকন্দলী, অজ্জুর্নদাস, আমাৰ মহাৰাজা বুলিছেন, বোলে, - 'স্বর্গ-মহাৰাজাৰ প্রেমবদ্ধর্ক পত্র সম্বাদ শ্রুত হয়া পৰম সন্তোষ হৈলাম। তেম্রাও যে কুশলে থাকিবেন আম্রাৰো এইৰূপ বাঞ্ছা'।" পাছে আমাৰ কটকীএ বুলিলে, বোলে, – "উভয় পক্ষতে এই ৰূপে মহামায়া সম্পন্ন কৰিবেন।" পাছে আমাৰ কটকীক ফুল-চন্দন সতগুৱা-পাণ দি নাম কাঢ়ি বুলিলে, বোলে, – "আপোনাৰা বাসাতে এখন আৰামে বহ যাই। তোমাৰ দিগেৰ যেখন বিদায় হয় তেখন ইহাৰ সিদ্ধান্ত পাইবা।" পাছে আমাৰ কটকীএ আশীর্ব্বাদ মজুৰা কৰি সিংহাসনৰ ঘৰৰ পৰা নামি সোণৰ দুৱাৰী ঘৰলৈ আহিলে। আৰু সিংহাসনৰ ঘৰতে যুৱৰাজ প্রমুখ্যে ৰাজবংশীসকল বহে, আৰু কোটোৱাল মুছিবো বহে, আৰু সভাপণ্ডিত পোৰোহিত এইসকলো বহে। আৰু উজীৰ, নাজীৰ, নেমুজীৰ, কার্কোন, দেৱান, আনো ভাল কায়স্থ, বৈদ্য, দৈৱজ্ঞ এইসকল খাড়া হৈ আছিল। আৰু সিংহাসনৰ ঘৰৰ আগৰ খলাত বৰা-বৰুক প্রমুখ্যে খাড়া হৈ থাকে। পাছে ৰাজা আজ্ঞা কৰিলত সকলকো ফুল-চন্দন সতগুৱা-পাণ যাক যি নিয়মে দিব লগা সেই নিয়মে দিলে। পাছে ৰাজা উঠি ভিতৰলৈ গ'ল। সভাৰ লোকো ঘৰাঘৰি গ'ল। আমাৰ কটকীও বহালৈ গ'ল। ১৬৩৪ শক, মাস বৈশাগ, তাৰিক্ষ ছ্ৰু ত্রিপুৰা ৰাজা ৰত্নমাণিক্যে আমাৰ কটকীক তুলিলে। সেই দিন ৰাজা পিন্ধিছিলে চিকণ খাছাৰ জামা, চিকণ উকা পাগ, সোণাৰ আঞ্চলেৰে ঝালৰ দিয়া কপাহী পটুকা, গুজৰাটী আতলঞ্চৰ ইজাৰ; শুক্ল ছালকাপৰ এখনি কানত পেলাই থৈছিলে। বাখৰপতা সোণৰ মুঠিএৰে খঞ্জৰ ৰ পাট কমৰত লৈছিলে, সোণৰ নালেৰে ২ টা শুক্ল চামৰেৰে দুই পাশে ঢুলিছিলে। চিত্রকৰা

তালপাতৰ বিচনীএৰে বিচিছিলে। ৰাজ্যৰ পাছত বানাতৰ গিলিপ দিয়া সোণৰ মুঠিএৰে তৰোৱাল ছ্ৰ খান, সোণৰ চকা দিয়া ঢাল ছ্ৰ খন সেৱক ছ্ৰ টাএ লৈছিলে। সেই দিন ৰাজা এই ধাৰাণে বহিছিল।

আৰু সিহঁতৰ উকীলে আমাৰ কটকীক নিবলৈ আহিলত আমাৰ কটকীএ দুটি মানুহ বহাত থৈ গৈল, বোলে, – "আমি গ'লে তহঁতে বেশছন্ন কৰি ৰাজাৰ দৰ্ব্বাৰলৈ গৈ লোকজন, আহিলাপাতি কিমান, কি নিয়মে বা থাকে তহঁতে চাই আহি আমাত কবিহি।" পাছে সিহঁতে বেশছন্ন কৰি দৰ্ব্বাৰলৈ গৈ আমি যিৰূপে কলোঁ সেইৰূপে কলেহি।

১১.৪.২ শব্দ-অর্থ

শব্দ	অর্থ
বহাঃ	অলপ দিন থকা বা প্ৰবসুৱা ঘৰ
মর্জুৰাঃ	সন্মান বা নমস্কাৰ
ঝালাৰঃ	পাটি
পটুকাঃ	কাপোৰ
ইজাৰঃ	গুজৰাতী চুৰীয়া বা পায়জামা
আতলঞ্চৰঃ	এবিধ মিহি কাপোৰ
বানাতঃ	এবিধ ঊলৰ কাপোৰ
গিলিপঃ	কাপোৰেৰে নির্মিত আৱৰণ
জামাঃ	পুৰুষে গাত পিন্ধা কাপোৰ বিশেষ
খলাঃ	কোনো কার্যত ব্যৱহাৰ কৰিবলৈ চুৰুকি চিকুণাই লোৱা ঠাই
খঞ্জৰঃ	এবিধ সৰু তৰোৱাল

১১.৪.৩ পাঠটোৰ সাধাৰণ আলোচনা

'ত্ৰিপুৰা দৰবাৰত অসমীয়া কটকী' শীর্ষক এই পাঠটোত ত্ৰিপুৰা ৰাজ দৰবাৰত কিদৰে আহোম স্বর্গদেও ৰুদ্রসিংহই পঠোৱা কটকী দুজনক আদৰণি জনাইছিল সেই বিষয়ে বর্ণনা কৰা হৈছে। পাঠটোৰ মূল কথাখিনি হৈছে এনে ধৰণৰ– ত্ৰিপুৰা ৰাজ্যত গৈ অসমীয়া কটকী কেইজন অস্থায়ী অতিথিশালাত অর্থাৎ বহাত আছিল। ৰাজ দৰবাৰৰ দিনা আমাৰ কটকী কেইজনক বহাৰ পৰা ত্ৰিপুৰা উকীল [ৰামেশ্বৰ ভট্টাচার্য্য ন্যায়-অলংকাৰ, উদয়নাৰায়ণ বিশ্বাস]-ক নিবলৈ পঠাই দিলে। তেওঁলোকে কটকী দুজনক আনি গড়ৰৰ বাহিৰতে থকা ৰূপৰ দু�ৰাৰ মুখৰ সমীপত স্থিত কুঁজি ঘৰ এটিত ৰাখিলে তাতে ত্ৰিপুৰা উকীল ৰামেশ্বৰ ভট্টাচার্য্যই আমাৰ কটকী কেইজনৰ সৈতে থাকিল আৰু আনজন উকীল অর্থাৎ উদয়নাৰায়ণ আহি ত্ৰিপুৰা দৰবাৰত উপস্থিত হ'ল। তাতে সকলোবোৰ বিষয়ববীয়া উপস্থিত হোৱাৰ পিছত পুনৰ তেওঁ ৰূপৰ দুৰাৰ ঘৰলৈ গ'ল আৰু অসমীয়া কটকীৰ সহিতে দুই উকীল আহি সোণাৰ

দুৱাৰ ঘৰৰ ভিতৰত সোমাল। সোণাৰ দুৱাৰ ঘৰৰ পৰা তেওঁলোকক তিনি ঠাইলৈ নীতি-নিয়মেৰে ত্রিপুৰা ৰাজ দৰবাৰলৈ নিয়া হৈছিল। তেওঁলোকে সিংহাসনৰ ঘৰত উপস্থিত হোৱা মাত্রকে আমাৰ অসমীয়া কটকী ৰত্ন কন্দলিয়ে আশীৰ্বাদ কৰিলে আৰু অজুৰ্ন দাসে মূৰ দোঁৱাই নমস্কাৰ কৰিলে। তাৰ পিছত ৰজাৰ আজ্ঞামতে দেৱানে অসমীয়া কটকীৰ পৰা আহোম স্বৰ্গদেৱে পঠিওৱা পত্রখন বিচাৰিলে আৰু ৰত্ন কন্দলিয়ে মূৰৰ পৰা পত্রখন উলিয়াই দিয়ে। ৰজাৰ আজ্ঞামতে আমাৰ কটকী দুজনক সভাপণ্ডিতৰ শাৰীতে আসন গ্রহণ কৰিবলৈ দেৱানে নির্দেশ কৰিলে। ইয়াৰ পিছত দেৱানে পত্রখন পঢ়িলে। পত্রখন পঢ়ি দেৱানে অসমীয়া কটকীক সুধিলে, বোলে– "ৰত্ন কন্দলি, অর্জুন দাস আমাৰ গোসাঁই মহাৰাজে সুধিছে যে আপোনালোক আহিবৰ সময়ত আপোনালোকৰৰ স্বৰ্গদেও কুশলে আছেনে?" উত্তৰত আমাৰ কটকীয়ে 'কুশলে আছে বুলি ক'লে।' পুনৰবাৰ দেৱানে আমাৰ কটকী ৰত্ন কন্দলি আৰু অজুৰ্ন দাসক ক'লে যে– আমাৰ মহাৰাজাই কৈছে , বোলে – "স্বৰ্গদেও মহাৰাজৰ প্রেমবদ্ধৰ্ক পত্রৰ সম্বাদ শুনি পৰম সন্তোস লভিলো। তেৰোঁ যেন কুশলে থাকক মোৰ সেয়ে বাঞ্ছা।" আমাৰ কটকীয়ে ক'লে যে–"উভয় পক্ষতে এই দৰেই মহামায়াই ৰক্ষা কৰক।" ইয়াৰ পিছত আমাৰ কটকী কেইজনক ফুল-চন্দন সতগুৱা-পাণ দি নাম কাঢ়ি ক'লে যে– 'আপোনালোকৰ বহাতে এতিয়া আৰাম কৰক। যেতিয়া আপোনালোকৰ ইয়াৰ পৰা যোৱাৰ সময় হ'ব তেতিয়া এই সিদ্ধান্ত জনোৱা হ'ব।' আমাৰ কটকীদ্বয়ে আশীৰ্বাদ-নমস্কাৰ জনাই সিংহাসনৰ ঘৰৰ পৰা নামি আহি সোণাৰ দুৱাৰৰ ঘৰলৈ আহিল। সিংহাসন ঘৰত বিভিন্নজন মন্ত্রী-পাৰিষদবৰ্গই আহি নিজ নিজ আসনত বহিছিল। প্রথমে যুৱৰাজ প্রমুখ্যে ৰাজবংশীসকল আহি বহে। ইয়াৰ পিছত কোটোৱাল মুছিব, সভাপণ্ডিত, পুৰোহিতকে আদি কৰি অন্য লোকসকল আহি বহে। আনফালে উজীৰ, নাজীৰ, নেমুজীৰ, কার্কোন, দেৱানৰ লগতে আন ভাল ভাল বিষয়া যেনে– কায়স্থ, বৈদ্য, দৈৱজ্ঞ এইসকলে তাতে থিয় হৈ আছিল। সিংহাসনৰ ঘৰ আগৰ খোলাত ৰৰা-ৰৰুককে আদি কৰি কিছুমান লোক থিয় হৈ থাকে। ৰজাৰ আজ্ঞামতে সকলোকে ফুল-চন্দন সতগুৱা-পাণ যাক যি নিয়মে দিব লাগে সেই নিয়মে প্রদান কৰিলে। ইয়াৰ পিছত ৰজা উঠি ভিতৰলৈ গমন কৰিলে। লগে লগে সভাত উপস্থিত থকা লোকসকলো নিজ গৃহ অভিমুখে গুচি গ'ল আৰু আমাৰ কটকীকেইজনো বহালৈ গুচি আহিল।

১৬৩৪ শক, বহাগ মাহৰ ৪ তাৰিখে ত্রিপুৰা ৰজা ৰত্নমাণিক্যই আমাৰ কটকীক ৰাজ দৰবাৰত তুলিছিল। পিন্ধনত ৰজাই সেইদিনা চিকুণ খাছাৰ জামা, চিকুণ উকা পাগ, সোণাৰ আচলৰে পাটি দিয়া কপাহী কাপোৰ, এবিধ গুজৰাতী মিহি কাপোৰৰ পায়জামা, বগা ছালকাপোৰ এখনি কান্ধত পেলাই লৈছিল। কমৰত বাখৰপাত খতোৱা সোণৰ মুঠিৰ যুক্ত খঞ্জৰ এপাত লৈছিল, আনহাতে সোণৰ নালেৰে সৈতে বগা চামৰা দুইফালে দুডাল ডুলি আছিল। সুন্দৰকৈ চিত্রকৰা তালপাতৰ বিচনীৰে ৰজাক বিচিছিল। ৰজাৰ পাছফালে চাৰিজন সেৱকে ঊলৰ গিলিপ দিয়া, সোণৰ মুঠি দিয়া চাৰিখন তৰোৱাল আৰু সোণৰ চকা দিয়া চাৰিখন ঢাল লৈ থিয় হৈ আছিল। সেই দিনা ৰজা এনেদৰেই ৰাজ দৰবাৰত বহা দেখিবলৈ পোৱা গৈছিল।

ত্রিপুৰা ৰজাৰ উকীলে যেতিয়া আমাৰ কটকীক নিবলৈ আহিল তেতিয়া কটকী দুজনে অস্থায়ী বিশ্রাম কক্ষত দুজন মানুহ থৈ গৈছিল আৰু তেওঁলোকক কৈছিল যে 'আমি গ'লে তহঁতে ভেশছন ধৰি ৰাজ দৰবাৰলৈ গৈ লোকজন, আহিলাপাতি, কিমান কি নিয়মে বা থাকে তাক চাই আহি আমাক

কবিহি।' কথা মতে কাম। তেওঁলোক দুজনে ভেশছন ধৰি দৰবাৰলৈ গৈ সেইবোৰ নিৰীক্ষণ কৰি যি দেখিলে সেই ৰূপে আহি কটকী দুজনাক ক'লেহি। এইখিনিতেই এই অধ্যায়টোৰ অন্ত পেলোৱা হৈছে।

এই পাঠটিত অসমৰ স্বৰ্গদেউৰ সৈতে ত্রিপুৰা ৰজাৰ ৰাজনৈতিক আৰু কূটনৈতিক সম্পৰ্কৰ কথা প্রকাশিত হোৱাৰ লগতে ত্রিপুৰা ৰাজ্যৰ কিছুমান সামাজিক পৰম্পৰা আৰু ৰাজ দৰবাৰৰ কিছু বৈশিষ্ট্যৰ কথাও প্রকাশ পাইছে। ত্রিপুৰা ৰাজ দৰবাৰত কিদৰে অন্য দেশৰ অতিথিক সম্ভাষণ জনোৱা হয় সেই বিষয়ে অসমৰ কটকীদ্বয়ে বৰ সাৱলীলভাৱে বর্ণনা দাঙি ধৰিছে। তেওঁলোকে ত্রিপুৰা ৰাজ দৰবাৰত বিষয়ৱবীয়াসকলে কিদৰে পদমর্যাদা অনুসৰি আসন গ্রহণ কৰে, ত্রিপুৰা ৰাজ পাৰিষদবৰ্গই কেনেধৰণৰ সাজপাৰ পৰিধান কৰে সেই বিষয়েও আমাক সম্যক ধাৰণা প্রদান কৰিলে। ইয়াৰ লগতে পূর্বৰে পৰা যে আহোম স্বৰ্গদেও আৰু ত্রিপুৰা ৰজাৰ মাজত মিত্রতাৰ সম্পর্ক আছে সেই বিষয়েও কিছু তথ্য আমি লাভ কৰিলোঁ।

১১.৪.৪ গদ্যশৈলী

বুৰঞ্জীৰ ভাষা কেনে বা বুৰঞ্জীৰ ভাষাৰ মূল বৈশিষ্ট্যসমূহ কি এই বিষয়ে ইতিমধ্যে আপুনি সাহিত্যৰ বুৰঞ্জীত কিছু কথা অধ্যয়ন কৰি আহিছে। তদুপৰি ইয়াৰ পূর্বৱর্তী অধ্যায়টোতো বুৰঞ্জী সাহিত্য সম্পর্কে কিছু কথা কৈ অহা হৈছে। সেই বাবে ইয়াত সেইখিনি কথা পুনৰ আলোচনা কৰা নহ'ল। অৱশ্যে আপুনি সেই দুয়োখিনি অলোচনা পুনৰাই অধ্যয়ন কৰাটো অতি বাঞ্ছনীয়। ইয়াত কেৱল বুৰঞ্জীখনৰ ভাষা সম্পর্কে দুটামান কথাহে উল্লেখ কৰি যোৱা হ'ব।

ত্রিপুৰা বুৰঞ্জীখনৰ ভাষা আন আন বুৰঞ্জীসমূহৰ দৰে সৰল আৰু আকর্ষণীয়। ঘটনাসমূহ পর্যায়ক্রমে বর্ণিত কৰা হৈছে। ইয়াত আধুনিক কথনৰীতিক সৰলীকৰণৰ আৰ্হিৰে উপস্থাপন কৰিবলৈ প্রয়াস কৰা হৈছে। চতুর্থী বিভক্তিৰ '-এক' প্রত্যয়ৰ ব্যৱহাৰ কৰা দেখা যায়। বুৰঞ্জীখনত বাংলা তথা বিভিন্ন বিদেশী শব্দৰ লগতে পুৰণি অসমীয়া শব্দৰ ব্যৱহাৰ কৰা দেখা যায়। বাক্যৰ আৰম্ভণিতে 'পাছে', 'আৰn' আদি, শব্দৰ বহুল প্রয়োগ ঘটিছে। মাজে মাজে বাক্য গঠনত মিশ্র ৰীতি মানি চলা পৰিলক্ষিত হৈছে। বর্ণনাত্মক আৰ্হিৰে ঘটনাসমূহ পুঙ্খানুপুঙ্খ ৰূপত উপস্থাপিত হৈছে। সেই দিশৰ পৰা অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত এই বুৰঞ্জীখনৰ গুৰুত্ব অপৰিসীম।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ : ত্রিপুৰা ৰজা ৰত্নমাণিক্যই আমাৰ কটকীক কেতিয়া ৰাজ দৰবাৰত তুলিছিল ?

.....

.....

t চিন্তা-চর্চা কৰক— ১.১

ইতিমধ্যে দ্বিতীয় ষাণ্মাসিকত অধ্যয়ন কৰি অহা বুৰঞ্জী সাহিত্যৰ আধাৰত আপোনাৰ পাঠ্যবিষয়ৰ অন্তর্গত 'ত্রিপুৰা দৰবাৰত অসমীয়া কটকী' পাঠটিৰ ভাষা সম্পর্কে এটি প্রবন্ধ ৰচনা কৰক।

2 ১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ত্রিপুৰা বুৰঞ্জী সূর্য্য কুমাৰ ভূঞাই ব্রিটিছ মিউজিয়ামৰ পৰা সংগ্রহ কৰি সম্পাদনা আৰু প্রকাশ কৰিছিল।
- বুৰঞ্জীখনৰ মূল শীর্ষক আছিল 'ত্রিপুৰা দেশৰ কথাৰ লেখা'।
- মহাৰাজ ৰুদ্রসিংহ আৰু ত্রিপুৰাৰ ৰজা ৰত্নমাণিক্যৰ মাজত বন্ধুত্বপূর্ণ সম্পর্ক স্থাপনৰ বিৱৰণ
- বুৰঞ্জীখনত লিপিবদ্ধ হৈছে।
- ৰত্ন কন্দলি শর্মা আৰু অজুর্ন দাস বৈৰাগীয়ে ১৭২৪ চনত এই বুৰঞ্জীখন প্রণয়ন কৰিছিল।
- মহাৰাজ ৰুদ্রসিংহই বিভিন্ন ৰাজ্যৰ সৈতে সুসম্পর্ক স্থাপনৰ বাবে কটকী প্রেৰণ কৰিছিল।
- ত্রিপুৰা বুৰঞ্জীত ত্রিপুৰাৰ ইতিহাস, ভূগোল, সমাজ, সংস্কৃতি, পূজা-পার্বণ আৰু প্রাকৃতিক
- পৰিৱেশৰ বিৱৰণ পোৱা যায়।
- অসমীয়া কটকীসকলক ত্রিপুৰা ৰাজ দৰবাৰত বিশেষ সন্মান আৰু মর্যাদাৰে আদৰণি জনোৱা হৈছিল।
- ত্রিপুৰা ৰজাই আহোম স্বর্গদেওৰ প্রতি সৌহার্দ্য আৰু মিত্রতাৰ মনোভাৱ প্রকাশ কৰিছিল।
- ত্রিপুৰা ৰাজ দৰবাৰত পদমর্যাদা অনুসৰি বিষয়ৱবীয়াসকলে আসন গ্রহণ কৰাৰ নিয়ম আছিল।
- ত্রিপুৰা ৰজাৰ সাজ-পোছাক, অলংকাৰ, অস্ত্র-শস্ত্র আৰু ৰাজকীয় আড়ম্বৰ সম্পর্কে পাঠটোৰ পৰা জানিব পৰা যায়।
- অসমীয়া কটকীসকলে ত্রিপুৰাৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক অৱস্থা সূক্ষ্মভাৱে পর্যবেক্ষণ কৰিছিল।
- ত্রিপুৰা বুৰঞ্জীৰ ভাষা সৰল, বর্ণনাত্মক আৰু তথ্যসমৃদ্ধ।
- 'পাছে', 'আৰু' আদি শব্দৰ বহুল ব্যৱহাৰে বুৰঞ্জীখনৰ গদ্যশৈলীক বৈশিষ্ট্যমণ্ডিত কৰি তুলিছে।
- ত্রিপুৰা বুৰঞ্জী অসমীয়া বুৰঞ্জী সাহিত্যৰ এক মূল্যৱান ঐতিহাসিক দলিল।

O ১১.৬ অধিক জানিবলৈ

কটকী, প্রফুল্ল (১৯৮৮); ক্রমবিকাশত অসমীয়া কথা শৈলী; গুৱাহাটীঃ বীণা লাইব্রেৰী।

গগৈ, লীলা (২০০২); বুৰঞ্জী সাহিত্য; গুৱাহাটীঃ বনলতা।

নেওগ, মহেশ্বৰ (২০০০); অসমীয়া সাহিত্যৰ ৰূপৰেখা; গুৱাহাটীঃ চন্দ্র প্রকাশ।

নাথ, প্রফুল্ল কুমাৰ (২০১২); অসমীয়া গদ্য সাহিত্যৰ পৰিচয়; নগাঁওঃ ক্রান্তিকাল প্রকাশন।

ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙণি; গুৱাহাটীঃ বনলতা।

বর্মন, শিৱনাথ (সম্পা.) (১৯৯৭); অসমীয়া সাহিত্যৰ বুৰঞ্জী [দ্বিতীয় খণ্ড]; গুৱাহাটীঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); অসমীয়া কথা সাহিত্য; নলবাৰীঃ জার্ণাল এম্প'ৰিয়াম।

ভূঞা, সূর্য্য কুমাৰ (সম্পা.) (১৯৮৮); অসম বুৰঞ্জী; গুৱাহাটীঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

ভূঞা, সূর্য্য কুমাৰ (সম্পা.) (১৯৯০); ত্রিপুৰা বুৰঞ্জী; গুৱাহাটীঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

শর্মা, সত্যেন্দ্রনাথ (২০০৯); অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত; গুৱাহাটীঃ সৌমাৰ প্রকাশ।

শর্মা, হেমন্ত কুমাৰ (২০০৭); অসমীয়া সাহিত্যত দৃষ্টিপাত; গুৱাহাটীঃ বীণা লাইব্রেৰী।

শর্মা দলৈ, হৰিনাথ (১৯৯২); অসমীয়া গদ্য-সাহিত্যৰ গতিপথ; নলবাৰীঃ পদ্মপ্রিয়া লাইব্রেৰী।

K ১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ : সূর্য্য কুমাৰ ভূঞাই লণ্ডণৰ ব্রিটিছ মিউজিয়ামৰ পৰা ফটোকপি কৰি আনি প্রকাশ কৰিছিল।

২ নং প্রশ্নৰ উত্তৰ : মহাৰাজ ৰুদ্রসিংহৰ।

৩ নং প্রশ্নৰ উত্তৰ : ১৭২৪ চনত প্রণয়ন কৰিছিল।

৪ নং প্রশ্নৰ উত্তৰ : ১৬৩৪ শক, বহাগ মাহৰ ষ্ঠ্ৰ তাৰিখে।

M ১১.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ : তলত দিয়া প্রসমূহৰ উত্তৰ লিখক

ক) ত্রিপুৰা বুৰঞ্জীখন কোনে সংগ্রহ কৰি প্রকাশ কৰিছিল ?

খ) ত্রিপুৰা বুৰঞ্জীখন কিমান চনত ৰচনা কৰা হৈছিল ?

গ) ত্রিপুৰা বুৰঞ্জীৰ ৰচকদ্বয় কোন ?

ঘ) আহোম স্বর্গদেও ৰুদ্রসিংহই ত্রিপুৰাৰ ৰজা ৰত্নমাণিক্যৰ ওচৰলৈ কি উদ্দেশ্যে কটকী পঠিয়াইছিল ?

ঙ) ত্রিপুৰা ৰাজদৰবাৰত আহোম কটকীদ্বয়ৰ নাম কি আছিল ?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : ত্রিপুৰা বুৰঞ্জীৰ মূল শীর্ষক কি আছিল ?

প্রশ্ন ২ : ৰুদ্রসিংহই কিয় বিভিন্ন দেশলৈ কটকী প্রেৰণ কৰিছিল ?

প্রশ্ন ৩ : ত্রিপুৰা দৰবাৰত অসমীয়া কটকীদ্বয়ক কেনেদৰে আদৰণি জনোৱা হৈছিল ?

প্রশ্ন ৪ : ত্রিপুৰা ৰজা ৰত্নমাণিক্যৰ সাজ-পোছাকৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

প্রশ্ন ৫ : ত্রিপুৰা বুৰঞ্জীৰ ভাষাৰ দুটা বৈশিষ্ট্য লিখা।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : ত্রিপুৰা বুৰঞ্জীৰ বিষয়বস্তুৰ ওপৰত এটি টোকা লিখা।

প্রশ্ন ২ : ত্রিপুৰা দৰবাৰত অসমীয়া কটকীদ্বয়ৰ উপস্থিতি আৰু আদৰণিৰ বিৱৰণ দিয়া।

প্রশ্ন ৩ : আহোম স্বর্গদেও ৰুদ্রসিংহৰ কূটনৈতিক নীতি আৰু ত্রিপুৰাৰ সৈতে সম্পর্ক আলোচনা কৰা।

প্রশ্ন ৪ : ত্রিপুৰা বুৰঞ্জীত প্রতিফলিত ত্রিপুৰাৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনৰ ছবি আলোচনা কৰা।

প্রশ্ন ৫ : ত্রিপুৰা বুৰঞ্জীৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰা।